

সুপ্ৰভাত

আজিৰ দিনটোতে—

- ১৮৯৪ত পণ্ডিত আচাৰ্য পৰশুৰাম চতুৰ্বেদীৰ জন্ম।
- ১৮৯৫ত বিজ্ঞানী মেৰী কুৰী আৰু পীয়েৰ কুৰীৰ জন্ম।
- ১৯৯২ত বাৰ্চিলোনাত অলিম্পিক ক্ৰীড়া সমাৰোহ।
- ১৯৭৮ত বিশ্বৰ প্ৰথম টেষ্ট টিউব শিশু লুইছ ব্ৰাউনৰ জন্ম।
- ২০০০ত দৌৰবিদ পি টি উষাৰ আন্তৰ্জাতিক ক্ৰীড়াৰ পৰা অৱসৰ।
- ২০০৭ত ভাৰতৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি প্ৰতিভা পাটিলৰ শপতগ্ৰহণ।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

...ল □ সংখ্যা ১৪০ □ মঙলবাৰ □ ৮ শাওণ ১৯৪৫ শক □ ২৫ জুলাই ২০২৩ চন □ VOL-13 □ NO-140 □ TUESDAY 25 JULY 2023

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PA

D.H.S.K. College, A.C.C. Estd-1945 Date...... Dibrugarh

## আটাইতকৈ ডাঙৰ সমাজ সেৱাটোৱেই হৈছে কৃতজ্ঞ হোৱাটো ঃ ড° প্ৰাঞ্জল বুঢ়াগোহাঁই

# ডিব্ৰুগড়ত জোনাকৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৪ জুলাই ঃ বৃহত্তৰ গৰুধৰীয়া-মধুপুৰ অঞ্চলৰ শীৰ্ষস্থানীয় স্বেচ্ছাসেৱী সংগঠন 'জোনাক'ৰ উদ্যোগত অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণী অনুষ্ঠান 'ৰুণজুন নূপুৰে মাতে' আৰু বৃহত্তৰ গৰুধৰীয়া মধুপুৰ অঞ্চলৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অভিনন্দনপ্ৰাপক অনুষ্ঠান 'উছাহৰ ৰামধেনু' শীৰ্ষক অনুষ্ঠান দুটি একেদিনাই একেখন মঞ্চতে ২০ জুলাইৰ দুপৰীয়া ১২ৰ পৰা সন্ধ্যা ৬.৩০ বজালৈকে অনুষ্ঠিত হয়। তৰুণজ্যোতি সংঘৰ প্ৰযত্নত পৰিচালিত গৰুধৰীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানটো বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক শোভাপাত্ৰই। বন্তি প্ৰজ্বলনৰ সমান্তৰালভাৱে উপস্থিত ৰাইজ আৰু প্ৰশিক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীসকলে প্ৰাৰ্থনাৰে অনুষ্ঠানটোৰ প্ৰাৰম্ভিক কাৰ্যসূচী সম্পাদন কৰে। স্বেচ্ছাসেৱী সংগঠন জোনাকৰ উদ্যোগত প্ৰতিবছৰে অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালা, ৰুণজুন নূপুৰে মাতেৰ প্ৰাক্ অনুশীলন কাৰ্যসূচী ১০ জুলাইৰ পৰা ১৯ জুলাইলৈকে ফুকনৰাম মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হয়। কৰ্মশালাখন উদ্বোধন কৰে ডিব্ৰুগড় জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাই আৰু ১৪ জুলাইৰ পৰা ১৯ জুলাইলৈ সাৰ্বজনীন উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰ্মশালাখন উদ্বোধন কৰে জোনাকৰ কাৰ্যকৰী সভাপতি খুবেন পাত্ৰই। আধুনিক, সৃষ্টিমূলক নৃত্য, যোগ শিক্ষা, আবৃত্তি, চিত্ৰকলা-হস্তকলা, সংগীত শিক্ষা আৰু স্বাস্থ্য-শিক্ষা বিষয়ত কৰ্মশালাখনত প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণ প্ৰদান কৰে ডাঃ মৌচুমী শৰ্মা, দেৱকৃষ্ণ হাজৰিকা, লুইচ ইলেভেন, স্মিতা দাস, অংকিতা কোঁৱৰ, সুৰভি দলে, মঞ্জুৰি ফুকন, মৃদুস্মিতা নেওগ আৰু সুদৰ্শনা ৰাজগুৰুৱে। দুদিনীয়া কৰ্মশালাৰ অন্তত ২০ জুলাইত অনুষ্ঠিত ৰুণজুন নূপুৰে মাতে আৰু 'উছাহৰ ৰামধেনু' শীৰ্ষক অনুষ্ঠান দুটিত প্ৰশিক্ষাৰ্থী ছাত্ৰ- ছাত্ৰীসকলে গীত-মাত, নৃত্য, আবৃত্তি পৰিৱেশন কৰাৰ উপৰি জামিৰা গোহাঁই গাঁৱৰ পৰা মধুপুৰলৈকে বিস্তৃত পৰিমণ্ডলটোৰ মুঠ ৬৭গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়। কৰ্মশালা দুখনত মুঠ ১০৭গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন প্ৰদান পৰ্বৰ শুভাৰম্ভ কৰে ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট প্ৰবন্ধকাৰ ড° শশীকান্ত শইকীয়াই। ভাষণ প্ৰসংগত ড° শইকীয়াই ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰে। আন এগৰাকী বিশিষ্ট অতিথি ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিণ্টি শৰ্মাই অসম উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত সফলতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন প্ৰদান পৰ্বটো শুভাৰম্ভ কৰে। তেওঁ জোনাকে আয়োজন কৰা গ্ৰীষ্মকালীন কৰ্মশালা আৰু অভিনন্দন অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ মনত অধ্যয়নৰ উৎসাহ প্ৰেৰণা বৃদ্ধি কৰিব বুলি কয়। লগতে এনে অনুষ্ঠানৰ যোগেদি বিদ্যালয়ত ছাত্ৰ- ছাত্ৰীৰ নামভৰ্তি আৰু নিয়মীয়া উপস্থিতৰ হাৰ বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰে। মুখ্য অতিথি হিচাপে অনুষ্ঠানত অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী প্ৰাধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে। তেওঁ কয় যে আমি জীৱনত বিভিন্ন প্ৰকাৰে বিভিন্নজনৰ ওচৰত ঋণী হৈ আছোঁ। আমাৰ জীৱনটো আগুৱাই নিয়াৰ ক্ষেত্ৰত বিভিন্ন ধৰণেৰে সহায় কৰা ব্যক্তিসকলক আমি কৃতজ্ঞতা প্ৰকাশ কৰা উচিত। কৃতজ্ঞ হোৱাটোৱেই সমাজ এখনক আগবঢ়াই নিয়াৰ অন্যতম প্ৰয়োজনীয়। আমি জীৱনত পোৱা প্ৰতিটো বস্তুৱেই আনৰ উপহাৰ আৰু প্ৰতিটো উপহাৰৰ আঁৰত জড়িত হৈ আছে বহু ত্যাগ আৰু কষ্ট। অলেখ তামৰ বিনিময়ত একো একোজন মানৱ সম্পদ গঢ় লয়। আমাৰ ভাৰতবৰ্ষ তথা অসমখন সাংঘাতিক অকৃতজ্ঞৰ দেশ। ইয়াত মানুহে সমাজৰ কাৰণে কাম নকৰে। ক'ৰবাত দুই-এটা সংগঠন অথবা মানুহ আছে, যি সমাজৰ উন্নতিৰ বাবে কাম কৰে। যিবিলাক ল'ৰা-ছোৱালীয়ে সঁচাকৈয়ে যিবিলাক উপহাৰ পায়, ডাঙৰ-দীঘল হয়, সেই বিলাকৰ প্ৰতি ঘূৰি চাব নাজানে। মাক-দেউতাকৰ প্ৰতি, সমাজখনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিব নাজানে, সেইবিলাক মানুহৰ দাম শূন্য। তেওঁলোকক আমি খাতিৰ নকৰোঁ। যিবিলাক বস্তু টকাৰে কিনিব পাৰি, সেইবিলাক বস্তু প্ৰকৃততে মূল্যৱান নহয়, যিবিলাক বস্তু টকাৰে কিনিব নোৱাৰি, সেইবিলাক বস্তুহে মূল্যৱান। আটাইতকৈ ডাঙৰ সমাজ সেৱাটোৱেই হৈছে কৃতজ্ঞ হোৱাটো। পৃথিৱীত যদি ভাল কাম হৈ থাকিব লাগে, তেন্তে আমি ভাল কাম কৰি থকা মানুহবিলাকক কৃতজ্ঞতা জনাব লাগে। আমি যদি ভাল কাম কৰাৰ বাবে মানুহক কৃতজ্ঞতা জনাব জানো, তেন্তে মানুহে ভাল কাম পুনৰ কৰিব। আৰু যদি অকৃতজ্ঞতা জনাওঁ পিছদিনাৰ পৰা সমালোচনা কৰিবলৈ লাগি গ'লো তেন্তে অহা বছৰৰ পৰা মানুহজনে ভাল কাম কৰাটো বন্ধকৰি দিব। —এনেদৰে মন্তব্য কৰি মুখ্য অতিথি ড° প্ৰাঞ্জল বুঢ়াগোঁহায়ে কৃতী ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কয়। অনুষ্ঠানত ডিব্ৰুগড় জিলা শিক্ষক প্ৰশিক্ষণ বিভাগৰ জিলা আঁচনি বিষয়া মণিমা ভট্টাচাৰ্য, ডিব্ৰুগড় জিলা আইন প্ৰাধিকৰণৰ সচিব লক্ষ্মীনন্দন পেগু, ছেভ দ্য চিলড্ৰেনৰ গৰুধৰীয়া অঞ্চলৰ প্ৰতিনিধি আজিমুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল চন্দ্ৰ পাত্ৰ, লাল বাহাদুৰ ছেত্ৰী, স্থানীয় তৰুণ জ্যোতি সংঘৰ উপদেষ্টা চন্দ্ৰকান্ত গগৈ, লজ্জিত চন্দ্ৰ গগৈ, অতুল পাত্ৰ, ললিত পাত্ৰ, বীৰেন বৰপাত্ৰ, গজেন বৰপাত্ৰ, বিনয়গুটীয়া সূৰ্যোদয় সংঘৰ সভাপতি বসন্ত পাত্ৰ, দীপাৱলী সংঘৰ উপদেষ্টা গোবিন নেৱাৰ, তৰুণজ্যোতি সংঘৰ সভাপতি জিতু গগৈ, সম্পাদক প্ৰসন্নজিৎ চেতিয়া, প্ৰশিক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীসকল, কৃতী ছাত্ৰ-ছাত্ৰীসকল, অভিভাৱকসকল আৰু জোনাকৰ বিষয়ববীয়াসকলকে প্ৰমুখ্য কৰি স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানটোত অসম উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত পুৰুষবীয়া মধুপুৰ অঞ্চলৰ ভিতৰত সৰ্বোচ্চ স্থানপ্ৰাপক লয়াল জ্যোতি দুৱৰাক (৯৫ শতাংশ) আদৰ্শ মাতৃ চঞ্চলা গগৈ স্মাৰক বঁটাসহ নগদ উপহাৰৰ ধন প্ৰদান কৰা হয়। আনহাতে অসম উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অংকটোৰ ভিতৰত ৮৬ শতাংশ নম্বৰেৰে সৰ্বোচ্চ নম্বৰপ্ৰাপক অহিতা কোঁৱৰক আদৰ্শ মাতৃ ফুলৰাণী পায় স্মাৰক বঁটাসহ নগদ উপহাৰ ধন প্ৰদান কৰা হয়। অভিনন্দন প্ৰদান শিতানটি পৰিচালনা কৰে পৰাগধৰ চেতিয়া, বণ্ডন গগৈ, চন্দন চাক, দীপক গগৈ, ভাস্কৰ গগৈ, সুজিত পাত্ৰ আৰু বিদ্যাধৰ দুৱৰাই। সমগ্ৰ অনুষ্ঠানটো পৰিচালনা আৰু আঁত ধৰে জোনাকৰ সাধাৰণ সম্পাদক মৃদুল পাত্ৰই। শলাগ জ্ঞাপন কৰে সভাপতি ৰাজকুমাৰ ছেত্ৰী আৰু বসন্ত কুমাৰ গগৈয়ে।

